০০১৮

# সৰ্ব্ব ব্যাধিৰ মূল মন্ত্ৰ।

সংগ্ৰহক :—

শ্ৰীযুত তীৰ্থ নাথ গোস্বামী।

প্ৰকাশক :—

জেনাৰেল এজেন্সী।
খলৰ সত্ৰ পোঃ আঃ
আসাম।

৫ম তাঙৰণ।

০০১৮

# সৰ্ব্ব ব্যাধিৰ মূলমন্ত্ৰ।

## শ্ৰীশ্ৰীৰামচন্দ্ৰায় নমঃ।

শ্ৰীকৃষ্ণায় নমঃ। ৰাম ৰামং পৰমাত্মা লাভং জীৱলাভং ত্ৰিভুবন নিৰঞ্জনং চাৰিযোগ উধাৰণং গুৰু মহাপূৰ্ণং পদ্মনাভং, ঈশ্বৰ পত পাণি উপউনেত্ৰং উপক্ষ চৰণং, হৰি হৰং শ্ৰীকৃষ্ণং পুণ্ডৰীকাক্ষং গোৰক্ষনাথং হৰি হৰি চৰণং, ৰামকৃষ্ণ ৰামকৃষ্ণং মায়াগ্ৰহ বিনাশনং ব্যাধিগ্ৰহ নাশনং তাপগ্ৰহ নাশনং মহাদেৱ হৰ ত্ৰিশঙ্কৰ ব্ৰহ্মাসং স্বামী সৰ্ব্ব ব্যাধি পানীকৃতং। উপতাপং বিষনি হুখনি ফুটনি বিন্ধনি গ্ৰহণী, সূৰণি, জ্বৰণী, পোৰণি, কম্পনি, জম্পুনি, ঠাশনি, শিৰণি, শাসনি, শৰনি, তাপনি, গাপনি, বাউনী, উৰণী, জিঞ্জিনী, বাতনি নাগনি, তেজনী, ৰাশৰ ঠাশৰ জাৰো সব হোক পানীকৃতং। ঈশ্বৰৰ বাণী ৰামগুৰুৰ বাক্য ৰুদ্ৰ মহাদেৱৰ বিষ্ণুৰ বচন ৰামৰ শৰণং, ৰামকৃষ্ণং শৰণং। মায়া ব্যধি শিৰদান্ত পাঠি মৰং। হৰ হৰ হৰ ঠাৱৰে ব্যাধি ঠাৱত নথাকিবি—এহি বাক্য এৰি যদি অমুকাক ধৰ মহাদেৱৰ ত্ৰিশূলত পৰি মৰ। দেৱী মাৱক ঘৰকৰ। ব্ৰহ্মাৰ পাৱত পৰি মৰস। ৰাম মন্ত্ৰ ৰাম মন্ত্ৰ ৰামচক্ৰ

ভুতায়ং ত্রিদশ মায়া নাশং শ্ৰীকৃষ্ণ জোতিস্মং একাশি দেবং লীলায়ং নেত্ৰায়ং সোম্পয় সহস্ৰায়ং নমো মহাদেবং নমো রুদ্রায়ং, শঙ্কৰায়ং নামত মাধবং অহঙ্কাৰ উতং ক্ষয়ং কাৰণিয়ং ক্ৰোধ খং খং ক্ষয়ং জায়ং। নমো দিগম্বৰং নমো ত্ৰিপুৰাৰী নলো ত্ৰিলোচনং জন্টাধাৰী নমো শূলপাণি নমো হৰি নমো নিতং ত্ৰিশূল ডম্বৰু ধৰং, চপ পানিনায়, নমো ৰজায়ং নমো মোহনি দেৱী চণ্ডী ভৱানী মহামায়া পাপশ্বৰী দুৰ্গা পাৰ্ব্বতী অপেস্বৰী নমো চন্দ্ৰানি নমো বোধানি নমো খন্দায়ং নমো ব্ৰহ্মা রুদ্ৰখং নাথ গকলং পুৰুষুত্তমায়ং নমো ভুধৰায়ং নমো যুক্তায়ং নমো জগন্নাথ ব্ৰহ্মা রুদ্ৰায়ং, নমো ভুক্তায়ং নমো যুক্তায়ং, নমো জগন্নাথায় নমো ৰামচন্দ্ৰায়ং নমো গকলয়ং নমো শঙ্কৰায়ং, নমো পুনৰায় ঈশ্বৰায় স্বহা। সৰ্ব্ব গ্ৰহ নাশয়ং স্বহা সৰ্ব্ব বিঘ্নি পুৰুষুত্তমায় লয়ং জায়ং স্বহা সৰ্ব্ব ব্যাধি নাশায়ং স্বহা সৰ্ব্ব গ্ৰহ নাশায়ং স্বহা, সৰ্ব্ব ব্যাধি পুৰুষুত্তমালয়ং জায়ং স্বহা, যৈবহস্তে আস্থংতৈবাহস্তে পাস্থং জগন্নাথায়ং চৰণং শৰণং, সৰ্ব্ব নাশং বিঘ্নি সৰ্ব্ব গ্ৰহ নাশং সৰ্ব্ব ৰোগ নাশং সৰ্ব্ব বায়ু নাশং, সৰ্ব্ব দেৱ নাশং, সৰ্ব্ব পিশাচ নাশং, কৰতং যত মোৰ নাশ কৰতং স্বহা, যত শৰ্প বিষ নাশং কৰতং স্বহা, হৰি হৰং লোং স্বহা—স্বহা। এই বচন এৰসং ব্ৰহ্মাৰ চক্ৰত পৰি মৰসং, নামৰ দ্ৰোহী হোৱসং॥ শ্ৰীশ্ৰীৰামচন্দ্ৰং শ্ৰীশ্ৰীদিশ—শ্ৰীঅষ্টনাম কথা শতং ভূতায় পৰণং মহেশ্বৰায় কৃত শৰণং শঙ্কৰায় শৰণং, মহেশ্বৰায় শৰণং গুবিন্দায় শৰণং শ্ৰীশ্ৰীৰাম গুৰুত শৰণং শ্ৰীহৰি হৰি নামৰ শৰণং শুন শুন স্বহা-স্বহা. মায়ানিৰ্জ্জানং শুদ্ধ শৰীৰং আত্মা নিৰ্ম্মলং স্বহা স্বহা,—এহি বাক্য এৰে যেহি গুৰু দ্ৰোহী নামৰ দ্ৰোহী ভক্ত দ্ৰোহী জয় ৰাম

জয় হৰি। যি বেলা ৰাম অৱতাৰ ভৈলা জ্ঞান মন্ত্রে ত্রিদশক বিচাৰিবে লৈলা। ত্রিলোক ছানি অজ্ঞান বিছাৰয় ৰাম মন্ত্রে, মাৰো সবে জয় ক্ষয়। কোন কোন দেৱৰ কোন কোন নাও ৰামৰ মন্ত্রে বিচাৰিয়া চাও। অমুকাৰগর্ভে যত ব্যাধি বিচাৰিয়া চাও বিচাৰিয়া পাও ৰামৰ মন্ত্রহানি খেদাই পেলাও, শিৰৰ পৰা পাৱলৈ জাৰো চৌষষ্টি ব্যাধি পানী কৰি মাৰো। শিৰ বিষয়ং মায়া বিষয়ং শিৰ শিৰিয়ং কর্ণশূলং চক্ষুশূলং ৰোগঃ জিভাৰেথং দান্ত শূলং চক্ষুবথেং গলবেৰা ৰাঘমুৰা পোৰা পিঙ্গলীয়া শিৰশিৰিয়া কর্ণশূল, তালুশূল দিঙ্গি শূলং গলটয়া মন্দহৰণৰ বেধং, মুখৰোগ সূর্য্যকপালি আদকপালি কৃষ্ণ শঙ্কৰ মহাদেৱ শিশ, চক্ষু চান্তে তুতি জাওক বিষ। এহি বচন যদি এৰ মহাদেৱৰ ত্রিশূলত পৰি মৰ। দেবীৰ তনত নখ বিদাৰস ব্রহ্মাৰ চক্রত পৰি মৰ। হৰি হৰি হৰ হৰ কৃষ্ণ শঙ্কৰ হৰি দেবীক স্মৰণে তুতি যাওক বিষ। ৰাম মন্ত্রে প্রহাৰিলো টানি মনু-ষ্যৰ সবে ব্যাধি হোক পানী। কোন কোন বিয়াধিৰ কোন কোন নাও অমুকাৰ ব্যাধিৰ জন্ম কথা কওঁ অৰে অৰে ব্যাধি শুন কর্ণ পাতি মহাদেৱৰ পুত্র গোৰক্ষৰ নাতি তোৰ কও মই জনম জাতি। ওপজিলি শনিবাৰ মধ্যম ৰাতি। পুৰু-ষৰ পৰা প্রকৃতি ভৈলা বাজ। মহাদেৱৰ গর্ভত ভৈলি উতপতি জোতিত উপজিল দুভাগ ৰাতি। ভূ পৃথিবীত ব্যাধি ভৈলা জাত। উপজি ব্যাধি চৌদিশে চাইলা সবে ব্যাধি বিছাৰি মাৰিবাক লৈলা, লক্ষী ৰালে আছো আমুকাৰ ব্যাধি জাৰিয়া গুছাও কণ্ঠবিষ নৰৱিংষং যতং ঠাসনি বিন্ধনি ফুটনি বিন্ধনি গাজনি গামনি শোষনি কামোৰণি গাজনী গোমৰণি জশনি খোচনি হিয়াশূলং উৰাশূলং কোষশূলং নাভিশূলং পীতশূলং গর্ভশূলং শুজিশূলং কলাফুলিয়া ধপলিয়া

নাৰেঙা ও নাৰেঙা থনিয়া ধমনা। পুৰুগ পবা গাঠিবিষ গগলা ধলা গলবেৰা চকৰি নলা খৰা,—ওলিয়া মুলি পুলি খৰা-গগাবিষি হাতিকোকৈ পদ্মমলা। আহোম ফোহোঁৰা এন্দুৰিয়া সেন্দুৰিয়া একাঙ্গী চৌৰাঙ্গী একাঙ্গী বিষালি বাতোৱালি নাৰাণী বিষ গুহ্যবিষ, কৰ্ণবিষ, ললাটবিষ মুখবিষ মাসাবিষ হৃদিবিষ সৰ্ব্ববিষালিৰ বিষ ৰামৰ মন্ত্ৰে জাৰো অমুকাৰ বিষ পানী কৰি মাৰো হৰ হৰ ঠাইৰে বিষ ঠাইতে মৰ। কৃষ্ণ শঙ্কৰ মহাদেৱ শিৱ গৌৰীৰ বচনে তুতি যাউক বিষ, এই বচন লৰে মহাদেউ বিষ্ণুৰ শপট অনন্তায়ং—স্বহায়ং ॥০॥

জয় ৰামং হৰি জয়ং ভূতায় অপৰাধসে দোষং ধৰ্ম্ম ইক্ষং খৰা খোয়ং কৃষ্ণ অপৰাধহেক্ষং মায়া গুমায়া শৰ শেয়ং। ৰুদ্ৰাভ্যাং দোহায়ং খেমায়ং শ্ৰীজগন্নাথ পুং আত্মা ৰামং দেশং অপৰাধায়ং ৰামৰামা পুক্তং। নমো পুৰুযুত্তমমায় স্বহা। নমো হৰি হৰায় স্বহা। ৰাম অস্ত্ৰধাৰায়ং ত্ৰিদশ মায়া নাশং ৰাজ ঋষি সপ্তং দেৱ ঋষি সপ্তং, ব্ৰহ্মাঋষিসক্তং ব্যাধিগ্ৰহসপ্তং ৰামমন্ত্ৰ ধৰোদাতি সৰ্ব্বব্যাধি পেলাও কাটি কোন কোন ব্যাধিৰ কোন কোন নাও গুৰুৰ বচনে বিচৰিয়া চাও। অনন্ত শয্যাত ব্ৰহ্মা শুইয়া আছন্ত চাৰি বেদ বাজভৈলা নিশ্বাস কাঢ়ন্তে আৰাধন্তে তুই তিনি নাৰী বহি গৈলা তিনি নাৰীহন্তে আন নাৰী বাজভৈলা। শুষুম্না ইড়া নাৰী, পিঙ্গলা নাৰী ৰয়কলা। তাহাৰ মধ্যত ভৈলা ব্যাধি উতপন। পিঙ্গলা নাৰীত ব্ৰহ্মা সাশতেয় ব্ৰহ্মৰন্ধ্ৰে বাহি-ৰায় যত জীৱগণ। ব্ৰহ্মা উচাৰিলা চাৰিবেদ যত ব্যাধি কাটি কৰিলা নিৰ্ম্মূল। শুষুম্না নাৰীত আত্মা ৰাম প্ৰকাশন্তে তিনি উজৰৰ আলয়। নৱদ্বাৰ সমৰ ধাৰ যাই জলবহ্নি সমে জলত অগ্নি ব্যাধি উপজয় হাৰ ব্যাধি নাৰী ৰাধি

নাৰী সাৰ। জলসাৰ জলসাৰং পানীসাৰ তেজসাৰং বিন্দুসাৰ মুত্ৰশূলং পুত্ৰখিচং জিঙ্গিৰি সাৰং ৰাজ সাৰং কুসুম সাৰং পান্দো সাৰং পান্দোকোমলং খৰচ পিণ্ড পক্ষ পদ্মাসনং পয়োসাৰং কেছুমুৰি মুগদৰং খসনিজ সনি বিন্দু পাক গন্থিয়া সাৰং, গুচ্ছ সাৰং নাভি সাৰং চিকনি খোচনি তাহনি তনহং ঠিস ঠিসনি বিষ তুষনি ৰক্ত নিৰং উদ্গাৰ গোদবিং গৰুড সাৰং পউ সাৰং হৰং হৰং ক্ষয়ং ক্ষয়ং যতবেথং অজীৰ্ণ উদ্গাৰ বান্তনি কাসনি সোপনি কামোৰণি জপনি জম্পনি কম্পনি জৰনি ৰক্ত নিপিয়াসং দহং আন্ত পাকং কথাং খকাৰং হামিয়া হৰং হেকতিং নাভিতং জাৰো হোক বিনাশনং টেকেলি গোন্ম। খলপা খাপৰি কোৰ কোৰিয়া খলধা গৰলং মতিয়া সোৰং, পতিয়া সোৰং খুছনি মাৰং ফটকা সোৰং, গোটা খোটা সৰা সোথং নত কাসং ক্ষয়াকাসং কেশ ৰোগ কাসং যশোয়া কাসং, তেজ কাসং উৰ্দ্ধকাসং, অৰ্দ্ধকাসং, কাসং কাসং, নাভিত জাৰো সবে বিনাশনং। এঞা লেঙ্গ, ফুটা লেঙ্গ উশালেঙ্গ, পানীলেঙ্গ জলনি জালং তাপ জৰং নিপ জৰং এঞাহোৱা পানীলগা ঘোগা উদভাই ঘুমুৰোগং ঘুমুৰোকং পুস্কৰং গুৰুৰ চৰণে পানী হইপৰং॥ জলৰ নাৰীত ব্যাধিৰ প্ৰকাশং, নাভিত জাৰো হোক বিনাশনং। অৰে অৰে ব্যাধি কৈলো জন্মজাতি গৌৰীৰ পো ব্ৰহ্মাৰ নাতি তোৰ জন্ম কথা শুন যৈতে খানিকো নথাকিবি তৈতে আমুকাৰ গৰ্ভে লৈলি বাস ৰামৰ মন্ত্ৰে জাৰো জান্তে তুতি যা। উৰ্দ্ধ হন্তে অধেযাস উজতে যৈতে তৈতে লয়ং ৰামৰ মন্ত্ৰে জাৰো চল সত্য সত্য, নাজাহং লক্ষ্মণ সীতা ৰামৰ খা মুণ্ড, জয়ং ৰাম জয়ং হৰি হৰি বোল স্বহা স্বহা॥

শুষুম্না নাড়ীত ব্যাধি আছে মানে সবে নাশ যাই

কৃষ্ণ নাম কীৰ্ত্তনে। আধাৰ চক্ৰ তই দান নিৰাক হই। ৰূপো গুণ নাম হন্তে তাত ব্যাধি উপজয় ৰাম মন্ত্ৰ কীৰ্ত্তনে প্ৰহাৰো তাক লাগি। সমস্তে পৰোক চূৰ্ণকৃত হোক ভাগি। কোন কোন ব্যাধিৰ কোন কোন নাও, ৰামৰ মন্ত্ৰে হানিয়া মই বিচাৰিয়া চাও। অৰে অৰে ব্যাধি তোৰ কহো জনম জাতি মহাদেৱৰ গৰ্ভে তোৰ উৎপতি, জন্ম ভৈলি থিতি ইড়া শুষুম্না নাড়ীৰ ভিতৰে যিৰা মানে আছে তাতে ব্যাধি ৰহে। অন্ত সাৰ শুষুম্না নাড়ীত জলসাৰ উৎপতি হয়। ইড়া নাড়ীত অনেক ব্যাধি হোৱয়। দশ দুৱাৰে ভৈল্য জলদ্বাৰে মুখ পৰ দশৰ মধ্যত ওপজয় মুক্ত পৰ সিদ্ধৰে সব ৰস বাজ হয় দশ নাড়ী মধ্যে ব্যাধি ওপজয়। নাভিৰ সঞ্জোগে তিনিৰ ঠাণ, অনাদি নাড়ীত গ্ৰহণী জলে অজীন নাড়ী সাৰং গ্ৰহণী পেট বোৰনী কামুৰি উকালি গ্ৰহণী। ৰক্ত গ্ৰহণী, তেজ গ্ৰহণী, কামুৰি গ্ৰহণী, শূলা গ্ৰহণী, গুজ গ্ৰহণী, গাজনী গ্ৰহণী, নাড়ী গ্ৰহণী, তেজ শূল, আন্ত শূল, গুহ শূল, কামুৰি শূল, অজীৰ্ন শূল, পোৰা গ্ৰহণী, অজীৰ্ণ গ্ৰহণী পদ্ম নলা, পদ্ম সাৰ কেচুমুৰি আদি গল পথে ব্ৰহ্মা গল ৰথে যেবে হয় তেজ সাউ শূলা তেজ গ্ৰহণী সৰ্ব্ব ব্যাধি চাৰিজা মোৰ হাতে নাভি বিষং নাদি বিষং গৰ্ভবিষং দ্বাৰ বিষং ৰাম মন্ত্ৰে নিবিষং ঠাসনি ফুটনি পোৰণি গাজনি শিৰণি অজিন ৰাম মন্ত্ৰে জাৰো পানীকুতং গৰ্ভৰ গৰ্ভ হাৰিণী, নাসা হাৰিণী, শাঁছ হাৰিণী তেজ হাৰিণী মুখ হাৰিণী, গুজ হাৰিণী, হাৰ হাৰিণী, ভূক হাৰিণী, নাড়ী হাৰিণী, ইড়া নাড়ীত তোৰ বাসং ৰামৰ চৰণে পানী-কুতং হই যাসং। ৰামৰ মন্ত্ৰে পানী উঠি যান্তি। খনতিয়া গোমা গোধা ধমনা ৰোন্দা কোষ্ঠ কূৰ্ম্ম ৰোগ ধমালি চক্ৰ-জাল এন্দুৰিয়া সেন্দুৰিয়া গাৰোচকৰিয়া। ৰামৰ মন্ত্ৰে পানী

উঠি যান্তি। যিবা ব্যাধিৰ নেজানো নাও ৰাম গুৰুৰ দেৱৰ চৰণে জাৰি খেদাও। কৃষ্ণ মুক্ষ ৰোগ, গোৱলা সালিকি মানিকি ইড়া নাড়ীত ব্যাধিৰ ৰাসং। ইন্দ্ৰ চন্দ্ৰ শূলং, সূৰ্য্য শূলং, ব্ৰহ্মা শূলং, বিষ্ণু শূলং ৰুদ্ৰ শূলং, প্ৰকৃতি শূলং, দেৱী শূলং, পূৱ শূলং, পশ্চিম শূলং, উত্তৰ শূলং, দক্ষিণ শূলং নৈঋত শূলং, বায়ু শূলং, ঈশান শূলং, অগ্নি শূলং, স্বৰ্গ শূলং, অনন্ত শূলং, চামোন শূলং, যক্ষ শূলং, বাঙ্ক শূলং, পম শূলং, দৈত্য শূলং, দানৱ শূলং, ৰাক্ষস শূলং, যক্ষ শূলং, খেতৰ শূলং, ৰামগুৰু দেৱৰ বচনে জাৰো পানী ধাৰ হুই পৰ ব্ৰহ্মাৰ শপত শিৱৰ শপত বিষ্ণুৰ শপত দেবীৰ শপত মোৰ বচন গুৰুৰ ডাক জাৰিলো সকলো ব্যাধি পানী কুতা হুই থাক ❋*❋ ।

ভূট শূলং, ইন্দ্ৰ শূলং, চন্দ্ৰ শূলং, সূৰ্য্য শূলং, বায়ু শূলং, বৰুণ শূলং, অগ্নি শূলং, দশদিকপাল শূলং, যত দেৱতাৰ শূলং, যত পিশ ছৰ মুণ্ড শূলং, কৰ্ণ শূলং; নাসিকা শূলং, জিহ্বা শূলং, দন্ত শূলং, দিঙ্গি শূলং, বুকু শূলং, হুদি শূলং, চক্ষু শূলং, ওষ্ঠ শূলং, তালু শূলং, কণ্ঠ শূলং, পেট শূলং, নাভি শূলং, কোষ শূলং, যক্ষ শূলং, আঠু শূলং ভৰি শূলং, হিয়া শূলং, ৰস শূলং, শোকনা শূলং, ৰাম মন্ত্ৰে জাৰো পানী উঠি পৰ ॥❋*❋ ॥

ইঙ্গলা, পিঙ্গলা, শুষুম্না নাড়ীত আছে নৱ জন তাত উপজিল যত ব্যাধিগণ : ৰাম মন্ত্ৰে জাৰো চৌষষ্টি ব্যাধি পানী কৰি মাৰো ॥ নাড়ী বিষং চেঙ্গাৰি বিষং বেঙ্গাৰি আন্ত কৰালি, নাভি কামুৰি, পীত কামুৰি চেঙ্গা কামুৰি চেঙ্গালি ছোঙ্গালি কাছ কামুৰি চকা কচুৱা কাছাৰিলা সোপা কামুৰি আন্ত কামুৰি নাড়ী, মুৰি পেলু কামুৰি খলপিয়া মৌবিচনীয়া টেকেলিয়া গুল্মং গৰ্ভ অজিনং

পদাঙ্গি অকছি উগাৰ মন্ত্ৰ দাহং খং আতসং কোৰ কোৰি আঠাসং কছুৰা কুছিয়া মোৰং কামুৰি শিৰা গুণঠিয়া একুহিয়া ধকুহিয়া চকু বলধা শিৰা শুন্দ বান্দ চেলা অঙ্গশিৰা গোপশিৰা লিঙ্গশিৰা শিৰ বেথং আঙ্গঠা মামৰি ৰাম মন্ত্ৰে জাৰো জানি মোৰ বচন গুৰুৰ ডাক ৰাম মন্ত্ৰে জাৰো পানী হৈ থাক ॥*॥

চৌৰষ্টি ব্যাধিৰ চৌযষ্টি নাও গুৰুক স্মৰিয়া ব্যাধিক পাও ৰামৰ মন্ত্ৰে জাৰো পানী উঠি যাই। এহি বাক্য যেবে এৰ মহাদেৱৰ ত্ৰিশূলত পৰি মৰ। দেবীৰ স্তনত নখ বিদাৰস ব্ৰহ্মাৰ চক্ৰত পৰি মৰস, বিষ্ণুৰ চক্ৰত পৰি মৰস জয়ং ৰামং জয়ং ৰামং হৰি হৰি হৰি বোলং স্বহা স্বহা স্বহা ॥*॥

শ্ৰীধনন্তৰীয়ে নমো ও মহেশ্বৰায়ে নমো স্বহা পাৰ্ব্বতী নাথায়ে নমো, শূল ধাৰায়ে স্বহা, ভস্ম ধৰায় স্বহা, সৰ্ব্ব ব্যাধি মূল মন্ত্ৰ উচ্চাৰণ কৰো, পৃথিবী স্বৰ্গ মৰ্ত্ত্য পাতাল দ্বীপ, পৰ্ব্বত, নদী, হ্ৰদৰ যত মানে ব্যাধি পানী কৃত কৰি মাৰো কং ব্যাধি নাশায়ং স্বহা, খং ব্যাধি নাশায়ং স্বহা, গং ব্যাধি নাশায়ং স্বহা, ঘং ব্যাধি নাশায়ং স্বহা, ঙং ব্যাধি নাশায়ং স্বহা, চং ব্যাধি নাশায়ং স্বহা, ছং ব্যাধি নাশায়ং স্বহা, জং ব্যাধি নাশায়ং স্বহা, ঝং ব্যাধি নাশায়ং স্বহা, টং ব্যাধি নাশায়ং স্বহা, ঠং ব্যাধি নাশায়ং স্বহা, ডং ব্যাধি নাশায়ং স্বহা, ঢং ব্যাধি নাশায়ং স্বহা, ণং ব্যাধি নাশায়ং স্বহা, তং ব্যাধি নাশায়ং স্বহা, থং ব্যাধি নাশায়ং স্বহা, দং ব্যাধি নাশায়ং স্বহা ধং ব্যাধি নাশায়ং স্বহা, নং ব্যাধি নাশায়ং স্বহা, পং ব্যাধি নাশায়ং স্বহা, ফং ব্যাধি নাশায়ং স্বহা, বং ব্যাধি নাশায়ং স্বহা, ভং ব্যাধি নাশায়ং স্বহা, মং ব্যাধি নাশায়ং স্বহা, যং ব্যাধি নাশায়ং স্বহা, ৰং ব্যাধি

নাশায়ং স্বহা, লং ব্যাধি নাশায়ং স্বহা, ৰং ব্যাধি নাশায়ং স্বহা, শং ব্যাধি নাশায়ং স্বহা, ষং ব্যাধি নাশায়ং স্বহা, সং ব্যাধি নাশায়ং স্বহা, হং ব্যাধি নাশায়ং স্বহা, ক্ষং ব্যাধি নাশায়ং স্বহা,। সৰ্ব্ব ব্যাধি মূল মন্ত্র প্রহাৰণং চৌষষ্টি ব্যাধি দূৰে, পলায়ং হৰায়ং হৰ চল বেতা দূৰে, যেবে নচলস তই কৃষ্ণৰ শপট, ব্রহ্মাৰ শপট, বিষ্ণুৰ শপট, মাস বাৰ তিথি ক্ষেণ সবে হইবা সাক্ষী গুৰুৰ গুণ দিলন্ত দাতি। সৰ্ব্ব ব্যাধি মূল মন্ত্র যি দিশক যাই, গৰ্ভৰ ৰোগ ব্যাধি দূৰতে পলাই। ব্রাহ্মণ, ক্ষেত্রিয়, বৈশ্য, শূদ্র চাৰি জাতি, বায়ু ব্যাধি ভূমি ভৈলা উতপতি। চাৰিও যুগত মহিবলিয়াৰ কথা কৈলা, চাৰিবেদ, চাৰি যুগ, অষ্ট ধাতু, পোলা সৰ্ব্ব ব্যাধি মূল মন্ত্রে জাৰো, ৰামৰ আজ্ঞা গুৰুৰ বচনে সকলো ব্যাধি পানী কৃত্য কৰো। মূল মন্ত্রে প্রহাৰণে সবে ব্যাধি নাশায়ং স্বহা, হুং হুং স্বহা, ক্রিং ক্রিং স্বহা, ৰিং ৰিং স্বহা, ওংহোং স্বহা, আমুকাৰ সৰ্ব্ব ৰোগ ব্যাধি পানী কৃত্য হই পৰ, যদি নলৰ মহাদেৱৰ মাথাত ভৰি দিয়স, সাত ভগৱতীৰ তন বিদাৰস, গঙ্গাৰ তীৰত এশ কপিলা বধ কৰ, হুং হুং কাৰ চাৰি যা লঙ্কাৰ পাৰ, নহবি ব্যাধি আমুকাৰ গাৱ ঘৰ বাৰী সীমা সঞ্চাৰ ॥৯॥

আদি অনাদি উপজিল যৈসানি, লক্ষ কোতি ব্যাধি উপজিল তৈসানি। সৰ্ব্ব সিদ্ধি মন্ত্র জাপ্য ৰামৰ মন্ত্রে সৰ্ব্ব ব্যাধি খপো, জ্ঞান মন্ত্রে ধৰো দাতি চৌষষ্টি ব্যাধি পেলাও কাটি, শ্রীৰামৰ চৰণে স্বহা, সৰ্ব্ব দুঃখ হৰায়ে স্বহা, সৰ্ব্ব ব্যাধি হৰয়ে স্বহা, বিষ কাশয়ং স্বহ স্বহা। সৰ্ব্ব ব্যাধি নাশয়ি স্বহা রুদ্রায়ং স্বহা, ভয়ানং স্বহা, মহেশ্বৰায়ং স্বহা, বিষ্ণু ভুঃ স্বহা আত্মা ৰামায়ং স্বহা, শ্রীহৰি হৰং স্বহা, সৰ্ব্ব মায়াং স্বহা সৰ্ব্ব

তাপ নাশায়ং স্বহা, বিষং বহ্নি গ্ৰহং ব্যাধি ৰোগং কাসং জৰং জঠৰং টাসনি তাহনি বিন্ধনি খোছনি ফুটনি দুখনি শোষনি নাশং অং স্বহা: কম্প ৱাত হন্তুমন্তি বাত জিঞ্জিনি ৱাত গঠিয়া বাত সৰ্ব্ব বাত নাশায়ং স্বহা। হৰ হৰ হৰং কোদোবিষ জাহ্নি- ষ গাৰুবিষ শিৰবিষ জিঞ্জিনি একাঙ্গী পানী মঙ্গলী, চোৰাঙ্গী চামোন্দী চৈৰাঙ্গ, কাউৰখুটি, দান্তখান্তি হিয়া খান্তি উশাহ নিৰোধি, বাতোৱালী হাতোৱালী বিষো-ৱালী সৰ্ব্ব বিষং নাশায়ং স্বহা জয়ৰামং হৰি হৰি হৰি বোল স্বহা, স্বহা উৎপতি জলং উৎপতি থলং চাৰি বেদ চাৰি যুগ, অষ্টাধ্যয়ং ত্ৰিবি নিৰ্ম্মিলাণ্ডিতং ত্ৰিভুবন প্ৰকাশিত নৱ নৰণ্ডি মুক্ত মুণ্ডং দ্বাৰৰ দশ গ্ৰহণীতং আদি গ্ৰহায়ং অনাদি গ্ৰহায়ং ৰুদ্ৰ গ্ৰহ নিতং জ্যোতি গ্ৰহং ভু গ্ৰহং ৰাম মূল মন্ত্ৰে নি গ্ৰহং ব্ৰহ্মা গ্ৰহে গ্ৰহেতং গুৰু গ্ৰহে কাঞ্চনিতং সত্য সুৰ পুৰুষ উত্তমং বীৰ্য্যবলং ৰাম মূল মন্ত্ৰং ৰাম মন্ত্ৰং সৰ্ব্ব শক্তি সৰ্ব্ব পংক্তি প্ৰচণ্ড যুক্তি বিক্ৰতি আহুতি, সৰ্ব্ব ৰূপং ত্ৰিভুবনং কম্পনং ৰাম মন্ত্ৰং সোচণ্ড ওবং সৰ্ব্ব ৰূপং সৰ্ব্ব মায়া গ্ৰহং সৰ্ব্ব শক্তি ৰাম ৰূপং সৰ্ব্ব দেবং ছয় চক্ৰ দেবং। চাৰি ইন্দ্ৰ চন্দ্ৰ কুবেৰ বৰুণং ব্ৰহ্মা বিষ্ণু ৰুদ্ৰ দেবী দেবং ধৰ্ম্মং সবাৰো শক্তি ৰাম মন্ত্ৰং ৰাম মন্ত্ৰ ৰাম মন্ত্ৰসং মাৰো মন্ত্ৰসং ক্ষৰৰ কাছনি আমুকাৰ গৰ্ভৰ ব্যাধি কৰো পানী সৰ্ব্ব শক্তি ৰাম মন্ত্ৰং শুনি যত ব্যাধি পলায় আৰু যত ব্যাধি পাওঁ কৰিলাহা ভস্ম। তেখনে খেদাইলো পানী কৃত্য কৰি। ৰামৰ মন্ত্ৰ যি দিশক যাই গৰ্ভৰ ব্যাধি দূৰতে পলাই। উচ্ছ উধৰ ব্যাধি, অধতমৰ ব্যাধি, ৰাম মন্ত্ৰে জাৰি পানী কৃত্য কৰো। ৰামৰ মন্ত্ৰে জাৰো পানী কৃত্য কৰো। হৰং হৰ হৰং দেশং ব্ৰহ্মাত শৰণং বচন এৰ

মহাদেৱৰ জণ্টাত ধৰং, গৌৰীৰ চক্ৰত পৰি মৰং ৰাম
ব্ৰহ্ম শৰত পৰি মৰং ব্ৰহ্ম ৰাম শৰত পৰি মৰং জয়
ৰাম জয়ং হৰি হৰি বোলং স্বহা স্বহা, ৰাম নাম উচ্চাৰণে
যত ব্যাধি মানে ভষ্মো কৃয়া যাওক নাশকং যত ব্যাধি
মানে পানী কৃত্য হই পৰং ॥ * ॥

অৰে অৰে শুনিয়ো কাহিনী ৰাম মন্ত্ৰক হানে
সবে হোক নিৰ্য্যান। অৰে অৰে ব্যাধি তোৰ কৈলে
জনম জাতিৰ বামুণ ক্ষত্ৰিয় বৈশ্য শূদ্ৰ আদি চাৰি বৰ্ণ
ব্যাধি ভৈলা উতপতি, চাৰি বৰ্ণ ব্যাধি ওপজিল যৈতি
মলয় যাওঁ আত্মা ৰামৰ চৰণত কোন
কোন ব্যাধিৰ কোন বৰ্ণৰ সৰ্ব্ব বৰ্ণং শুক্ল বৰ্ণং সূৰ্য্য বৰ্ণ
ৰক্ত বৰ্ণং কাল বৰ্ণং কৃষ্ণ বৰ্ণং ধুম্ৰ বৰ্ণং চন্দ্ৰ
বৰ্ণং অগ্নি বৰ্ণং শিৱ বৰ্ণং দেৱী বৰ্ণং সৰ্ব বৰ্ণং ব্যাধিৰ
কহো কাহিনী। ৰাম মন্ত্ৰে মাৰো হোক পানী— ভে
ব্যাধি গো ব্যাধি চক্ষু ব্যাধি শিৰ ব্যাধি দ্বাৰ ব্যাধি কৰ্ণ
ব্যাধি নাসা ব্যাধি মামৰি বিষং জিহ্বা ৰোগ
মুখ ব্যাধি কণ্ঠ ৰোগং হস্ত ব্যাধি নাৱ ব্যাধি গৰ্ভ
ব্যাধি ৰোগ নাভি ৰোগ শুক্ৰ ৰোগ ভৰি ৰোগ ব্যাধিৰ
সহস্ৰ ভাৱ, নাভিৰ ব্যাধি সবে ক্ষয় হোক পানী হোব
ভষ্ম হোক— হৰ হৰ ঠাইৰে ব্যাধি ঠাইতে মাৰো—
ৰাজ ঋষি সপ্তং দেৱ ঋষি সপ্তং ব্ৰহ্ম ঋষি সপ্তং। হৰি
বিষ্ণু ৰাম কৃষ্ণ নাৰায়ণং জগন্নাথং গোবিন্দ বাসুদে
স্বামী হৰিৰ সপ্ত নামৰ দ্ৰোহী ব্যাধি দূৰ দূৰং ক্ষয়ং ক্ষয়
ক্ষয় যা ক্ষয় যা হৰ ব্যাধি হৰং খং খং কৰং হৰং ৰা
স্বহা স্বহা। শ্ৰীমৎস্য প্ৰভুৰ চক্ৰত পৰি মৰিবি—
মনুষ্যক নেৰ যদি কূৰ্ম্মৰ চক্ৰত পৰি মৰিবি— মনুষ্যক
নেৰ যদি নৰসিংহৰ গাৱত ভষ্ম হৰ। বামুণৰ ত্ৰিশূলত

াৰি মৰিবি। পৰশুৰামৰ কুঠাৰত পৰি মৰিবি শ্ৰীৰামৰ
াৰত পৰি মৰিবি। বুধৰ চক্ৰত পৰি মৰিবি কল্কীৰ
াণ্ডাত পৰি মৰিবি স্বহা স্বহা স্বহা পানী উঠি পৰ স্বহা
ৰহা স্বহা ভস্ম হৰ ভস্ম হৰ ভস্ম হৰ ॥ * ॥

---

## মোৰৰ মন্ত্ৰ

ভাদ্ৰ মাসে মঙ্গল বাৰে পূৰ্ণিমা তিথি, সেহি বেলা চৌষষ্ঠি মোৰ ভৈলা উতপতি। কোন কোন মোৰৰ কোন কান নাও গুৰুৰ বচনে খেদিয়া পেলাওঁ। পানী মোৰ জিলি মাৰ, চিলনি মোৰ পিলা মোৰ পদ্ম গুণঠিয়া মোৰ আবৈয়া মাৰ, ফুটনি মোৰ, সোপা মোৰ, নিপাত শনিপাত মোৰ জঠি মোৰ, বাঘ ধলা মোৰ, চেচা মোৰ, জতৰীয়া মোৰ মেনুৰা-মেনেকা মোৰ, গুৰুৰ বচনে কৰিলো নিপাত, ব্ৰহ্মা বিষ্ণু হৰ গৌৰী উতপতি, নিৰিখ মোৰ বিষ মোৰ চতিশ শনিপাত আমুকাৰ মোৰ পানী কৃত্য কৰো, ৰামৰ ভাৰ্য্যা সীতাই জাৰে সৰ্ব্ব বিষ পানী কৃত্য কৰো ॥§॥ অজীৰ্ণ ভাৰে নাৰীত দিলো পাক, কোন কোন মোৰৰ কোন কোন নাও, বিষ মোৰ আবৈয়া মোৰ, চেঙ্গা মোৰ বাঘ মোৰ, সোতা মোৰ, খুন্দা মোৰ, হৰ মোৰ হৰ জাৰিলো মোৰ ঘোৰা চতি নামি পৰ। মচ মচ বছে পানী নকৰ মোৰ ভাটি উজনি, চন্দ্ৰ সূৰ্য্য দিলে ভাটি শুকান পুখুৰী দীঘল পানী, জাৰিলো মোৰ কৰিলো পানী, উৰি গল শগুণি পৰি গল পাখী, কোন কোন মোৰক থৈ গল ৰাখি, কোন কোন মোৰৰ কোন কোন নাও, শৰ জাতি মোৰৰ উতপতি কওঁ, মটা বাঘছে মোৰ

যাতি বাঘ হৰিণা মোৰ, হৰিণী মোৰ, অজীৰ্ণ মোৰ, কেকোৰা মোৰ, বতিওৱা মোৰ, ফন্দিয়া মোৰ, কুকুৰিয়া মোৰ গুবুৰিয়া মোৰ, আৰৈয়া মোৰ, পুবৈয়া মোৰ, চেঙ্গা মোৰ বেঙ্গা মোৰ, চিলা মোৰ, চিলনি মোৰ, পঘাগুণঠিয়া মোৰ খুন্দা মৰা মোৰক কাটি কৰো খণ্ড খণ্ড। ব্ৰহ্মা দিলে গঙ্গাৰ জল, এতেকে মোৰৰ ভাঙ্গিলো বল আকাশলৈ চাই মাৰিলো পানী, দেৱৰ বচন নকৰিবি হানি। হৰ বিস্ত হৰ সকলো পানী উঠি পৰ ॥§॥

অৰে অৰে জেঠি মোৰ তোৰ জানো জন্ম জাতি হৰৰ পুত্ৰ মৰিচিৰ নাতি, পৰীক্ষিত ৰাজাৰ পুত্ৰ ভৈলা জন্মিজয়, তেসানি জেঠি মোৰ কুম সাৰ শনি পাত নিপাত,—উকালি মোৰ, ভেদ মোৰ গৈলন্ত পলাই— ইকৰা গছত গৈ লৈলন্ত শৰণ, ৰাখা পুৰন্দৰ বুলি, দেখিয়া ইন্দ্ৰৰ যুগুত মন, তোপোলা বান্ধিয়া কৰিলা গুপুত; ইন্দ্ৰৰ সাহসে আসিলা ধাই, তোপোলা মেলিয়া দিলো পেলাই। জেঠি মোৰ শনিপাত মোৰ কুম মোৰৰ বিষ নাই,— ফুট ফাট বিষ নাই হুং হুংকাৰ চাৰি যা লঙ্কাৰ পাৰ ॥§§॥

গুণ গুণ মহা গুণ জাৰো মই, কাণ পাতি শুন কোন কোন মোৰৰ কোন কোন নাও, পুবৈয়া, আৰৈয়া, হোপা শনি পাত, গোপলতা ধনু টঙ্কাৰ, চিলা মোৰ চিলনি মোৰ জেঠি মোৰ, তোৰ জানো জন্ম জাতি, মহাদেৱে দিলে ব্ৰহ্মায় স্রজিলে, দুই দণ্ডৰ ভিতৰত ভৈলা উতপতি ॥ঞ্চ॥

হালধিৰ দোক ফটিকৰ বাৰ, তোৰ মুখ দেখিলে কাল বিকাল কি কৰিতে পাৰে, মোৰৰ বিষ যত পাতালে লুকাইল, হৰ বিষ হৰ জাৰিলো মোৰ পানী কৃত্য হই পৰ॥*॥ কোন কোন মোৰৰ কোন কোন নাও, গুৰুৰ বচনে খেদিয়া পেলাওঁ। পুবৈয়া মোৰ, চিলনি মোৰ, দুধ মোৰ, ওফোন্দা

মোৰ আতিৰ মোৰ, তেজ মোৰ পুজ মোৰ, খোচা মোৰ পুটনি মোৰ, চেঙ্গা মোৰ, চেঙ্গেলি মোৰ, বাউ মোৰ শনিপাত মোৰ নিপাত মোৰ, পিলা মোৰ, পঘাগুণঠিয়া মোৰ, ধনু টঙ্কাৰ মোৰ, বাঘ মোৰ, জেঠি মোৰ, ঘোৰা মোৰ নামি যা তই ৰামৰ আজ্ঞায়ে জাৰিলো মই তিনি দেৱ তুমি হইবা সাক্ষী হৰ বিষ হৰ জাৰিলো চৌষষ্ঠি মোৰ পানী হই পৰ ।ঞ্চ॥

অথ গুৰু পথ শিক্ষা গুৰু বিদ্যা গুৰুঁ ধনঞ্জয় ধন আই, তোমাক স্মৰিলে পৰম পদ পাই । মোৰ হাক গুৰুৰ ডাক, লৰ চৰ ব্ৰহ্মাৰ চক্ৰত পৰি মৰ। নিতাই ধুবুনীয়ে কাপোৰ ধোৱে, সেই ঘাটে ধুবুনীৰ তন জলে ছেই ছেই বিষ পুৰুষোত্তম বসিছে কৰিম কি ইহাক মাৰি সিহাক চাওঁ, কাল কুটি মোৰৰ বিষ পাতালে লুকাইল, চিৰলা চিৰলি পাত ফটিক জলে উপচিল শোপা তাই বিষ কোন কাল বাপেৰ শঙ্কৰ মাৰ গৌৰী, অনাত আছিলি সাগৰত ভৰি, বাৰীতে আছে ধুকুৰ চুমৈ চৌধ কোটি মোৰৰ বিষ, আৰৈয়া পুৰৈয়া মোৰ, ৰবলা খুন্দা মৰা, পতাগুটিয়া জেঠি মোৰ, ৰামৰ আজ্ঞায়ে গুৰুৰ ডাক লৰে যদি মোৰৰ বিষ নামি থাক ॥ * ॥ যদি মোৰৰ বিষ লৰ চৰ মহাদেৱৰ জণ্টাত ধৰ, ব্ৰহ্মাৰ চক্ৰত পৰি মৰ, কুম কুম কুমৰে কাই যমৰ নগৰী, তোমাৰ ঠাই বাড়ীত আছে ঘুকু চুমৈ তলে মানুহক—পাইলি লাগ ত্ৰিদশ কোটি দেৱতাই তোমাক সোধে বুধি, খোছনি বিষ্কনি হয় বাঘিনী আৰৈয়া পটা গুণঠিয়া ধেনু ফন্দিয়া মোৰ কাছ কামুৰিয়া—শিঙ্গি মোৰ হৰ বিষ হৰ চৌষষ্ঠি মোৰ পানী উঠি পৰ ॥•॥ বিৰহি মোৰ আৰু এক পাছে বিত শূন্য হাক ডাক,—শিৰ শিৰোৱা, মোৰ জাৰো নীলকণ্ঠ

মোৰক জাৰি পেলাও ঠেলি। ঐ জাতি মোৰৰ জল পানী কৃত্য কৰি কৃষ্ণৰ চৰণে নমস্কাৰ কৰো। গৌৰী মাৱক নমস্কাৰ কৰো হুং হুঙ্কাৰ ছাৰি যা লঙ্কাৰ পাৰ নাহিবি আমুকাৰ ঘৰ বাড়ী সীমাৰ সঞ্চাৰ ॥০॥

মেৰু মূলে মহাদেউ বসিয়া আছন্ত, পাছে বসুদেৱ, কাৰ্য্য সুধিলন্ত শনিপাত মোৰ, নিপাত মোৰ, জেঠি মোৰ, পোৰা মোৰ, কুলি মোৰ, চক্ষু মূন্দা শ্যাম তনু সোমবাৰে উতপতি। শ্ৰীৰামৰ আজ্ঞায়ে সমস্তে মোৰক পানী কৃত্য কৰো -॥০॥- আনিলো জল সাগৰৰ হন্তে জাৰিলো জল পশ্চাৰি জয়ন্তে আসন্ত পাৰ্ব্বতী মূৰ মেলাৱন্তে মোৰ জল জাৰন্তে জল্লা মাজে ব্ৰহ্মা বসিয়া আছন্ত যাহানি দক্ষিণক চাইলা লৈ গৈল কচুপাতত পাই,—সিঞ্চিল পানী ব্যালিছা কোটি মোৰৰ ভাগিল সমাজ হৰ বিষ হৰ চৌষষ্টি মোৰৰ বিষ নামি পৰ। মোৰ বচন লৰ চৰ গুৰু বধ কৰ, মোৰ বচন লৰ চৰ ভক্ত বধ কৰ, মোৰ বচন লৰ চৰ সাতোটা কপিলা বধ কৰ, মোৰ বচন লৰ চৰ সাত জনী গৰ্ভৱতী স্ত্ৰী বধ কৰ, মোৰ বচন লৰ চৰ দেবী আইৰ স্তনত ধৰ, মোৰ বচন লৰ চৰ মহাদেৱৰ জণ্টাত ধৰ, মোৰ বচন লৰ চৰ ব্ৰহ্মাৰ চক্ৰত পৰি মৰ, মোৰ বচন লৰ চৰ লক্ষ্মণ সীতা দেবীৰ আজ্ঞা ভঙ্গ কৰ, হুং হুংকাৰ চাৰি যা লঙ্কাৰ পাৰ, নেথাকিবি আমুকাৰ ঘৰ বাৰী সীমা সঞ্চাৰ ॥ঞ্চ*॥

---

## সাপৰ মন্ত্ৰ

হাত গুৰু বাত গুৰু সম্বৰণ কৰো নিজ গুৰু পি গুৰু শিৰত তুলি ধৰো। গুৰুৰ বচনে গুৰুৰ আ গুৰুক নমস্কাৰ কৰো। হেৰা সাখিনী মেঘ নল দুই দ

গাটিল ফল খাওঁ ফল শুখাও জলত ভিস্ময় কৰো।
গুৰুৰ বচনে গুৰুৰ আহে গুৰুক নমস্কাৰ কৰো।
ৰি গল শগুণি পৰি গল পাখী, কোন কোন সৰ্পৰ কোন
কান জাতি। গল গল মেটা লৰিল মাঠা বাৰেও
াহৰ তেৰেও পাখী পক্কে পক্কে সৰি গল পাখী, কাউৰী
াম ঘাউ কোন পিনে মৰিলে শৰীৰত ঘাও, বিষক
কনিলো বিষক বিকিলো বিষক কাটি কৰি খাই যাওঁ।
ধাবাৰ পুখুৰী ধুবুনী কাপোৰ ধুই আছিলে নিতাই
পা সৰ্পে খালে সৰ্পে খাই কৰিব কি মই জানো
হাদেউ ঈশ্বৰৰ গুণ গুৰু দেউ ঈশ্বৰৰ গুণ চকু চাওঁতেই
তি গল বিষ, হৰ বিস্তু হৰ চৌষষ্টি সৰ্পৰ বিষ জাৰো
পানী কৃত্য হৈ পৰ ॥*॥
উৰি গল শগুণি পৰি গল পাখী কোন কোন সৰ্পৰ
কোন কোন জাতি চাৰিও পুখুৰী চাৰিও বিষ চৌদ্ধ
ব্ৰহ্মায় বোলে নাইকীয়া বিষ, সাপে গল চৰিবলৈ নেউল
গেলা চৰিবলৈ সাপে নেউলে লগ পাই আগ ডোখৰ
এৰি মাজ ডোখৰ খাই। শুন শুন বাপু নেউলৰ বাণী
আহুদি মাটি আনি তাকো জীয়াই তই থাক বাৰী চুকত
মোকে বোলে সাক্ষিণী হৰ বিস্তু হৰ আমুকাৰ সৰ্পৰ বিষ
জাৰো পানী কৃত্য হই পৰ ॥*॥
উৰি গল শগুণি পৰি গল পাখী সোণৰ পুখুৰী
ৰূপৰ পাৰ তাৰে খাইলা হাৰে মূৰে পাই ভিতৰে মাৰলী
ৰৱা কেও নেপালে উখা ধিতাই মুখে জাৰো চাণ্ডলনী ৰিত্ত
বিয়াই দান ডোল ভাঙ্গি গৈয়া লেঙ্গি জৌ গোসাই শুনা
শুনা বাপু নেউলৰ বাণী চিলা হেন মন্ত্ৰ জুলুকী পকৰা
তোমাক প্ৰণাম কৰো সুৰৱি সুৰৱি হৰ বিষ হৰ চৌষষ্টি
সৰ্পৰ বিষ জাৰো আমুকাৰ পানী উঠি পৰ ॥*॥

উৰি গল শগুণি পৰি পল পাখী কোন কোন সৰ্প
কোন কোন জাতি, সাপৰ নাও কুছিয়া দাপত নাই
কেতে থিনি আছিলা মাৰৰ গৰ্ভত, লহ ল জিহ্বা কা
বিকালে ছত্ৰ নামে হালোৱাই হাল খাই ডুবে ডম্বৰু বাজ
কামাখ্যা পতমাত কুঁৱৰী তোমাক প্ৰণাম কৰো সুৱৰি গুৰু
অনাদি মুছিয় ৰ গুৰু, গুৰু থাকোতে কহো মৰি যাও য
পিতৃ ভুটীয়া ৰূপে খাই মানুহ গৰুতৃবামৰে জীয়াই। মন্ত্ৰ
কৰিয়া কি মই জানো মহাদেউ ঈশ্বৰৰ গুণ গুৰু দেউ ঈশ্ব
গুণ চকু চাওঁতে তুটি গৈলা বিষ হৰ বিস্ত হৰ চৌষষ্টি স
বিষ জাৰো আমুকাৰ পানী কৃত্য হৈ পৰ ॥৪॥

উৰি গল শগুণি পৰি গল পাখী কোন কোন সৰ্প
কোন কোন জাতি সাপৰ নাউ কুছিয়া তৰা মৰলীয়া পা
গুৰি মচোৰা সৌকা গোম হোলোঙ্গা গোম আসৈয়া গো
চেঙেলীয়া গোম তাঙণি গোম মাটি ফেটী জতৰি ফেটী চক
ফেটী এঙ্গেঠা দাহি ৰাশলা কাৰ্শলা কলা হালধীয়া কা
বিৰলী শকা শাকিনী গোম গোমুণী বাত জিৰুৰা চিলা
মন্ত্ৰ জোলুকি পৰুৱা তই খাই কৰিবি কি মই জানো মহাদে
ঈশ্বৰৰ গুণ গুৰু দেউ ঈশ্বৰৰ গুণ. চকু চাওঁতে তুটি গল বি
শীত গিৰি পাৰ, ৰক্ষা কৰা কামৰূপী কামাখ্যা মাৰ ॥৫॥

উৰি গল শগুণি পৰি গল পাখী সৰ্পৰ কাঠি কা
সৰ্পৰ ৰুৱা তাতে আছে কালী দেউ ৰাজা, কালী দেউ ৰাজ
কাল কুটি কুঁৱৰী মহাদেউ ৰাজাৰ যি হেঙ্গুলীয়া খা
শুৱাই থৈছে চৌষষ্টি বিষৰ আদি চৌষষ্টি বিষ ৰো
কৰিবি কি মই জানো মহাদেউ ঈশ্বৰৰ গুণ গুৰু দে
ঈশ্বৰৰ গুণ চকু চাওঁতে তুটি গল বিষ শীত গিৰি
ৰক্ষা কৰা কামৰূপী কামাখ্যা মাৰ ॥৬॥

## সৰ্পৰ ধৰণী

ধৰণী ধৰো আটি ধৰণী ধৰো ভাটি মই ধৰণী ধৰো
ৰজৰ গাঁঠি। পূবৰ ধৰণী পূবে ধৰো পশ্চিমৰ ধৰণী
পশ্চিমে ধৰো, দক্ষিণৰ ধৰণী দক্ষিণে ধৰো, উত্তৰে আছিলে
াই মই ধৰণী ধৰো, মহাদেউৰ আজ্ঞা পাই। বাজে থক
ক ভিতৰে কলিয়া কি ফুল ফুলিলে নিছিলো মলিৰ
থৰ ওপৰ কুণ্ডল পৃথিবীত থাক। সাগৰৰ পানী তুলিব
াৰে যি, মোৰ ধৰণী মেলিব পাৰে সি। লৰ চৰ ব্ৰহ্মাৰ
ক্ৰত পৰি মৰ, লৰ চৰ মহাদেউৰ আজ্ঞা ভঙ্গ কৰ মোৰ
বচন লৰ চৰ পাৰ্ব্বতীৰ তন নখে বিদাৰস। মোৰ বচন
গুৰুৰ ডাক মই সৰ্পৰ বিষৰ ধৰণী ধৰো আমুকাৰ যৈতে
ধৰো তৈতে থাক। ইসব বচন কৰিব চন সাক্ষী কৰি
াৰদ এক জন ॥*॥

—ইতি সৰ্ব্ব ব্যাধিৰ মূল মন্ত্ৰ সমাপ্ত—

এই পুথিৰ মন্ত্ৰ তাৰতে ফলিয়াৱ, তাত কোনো সন্দেহ
কৰিব। কেৱল গুৰু ভকতলৈ টোপোলা বান্ধি বিহু-
াঙ্গনীৰে তিনি বাৰ জাৰিব। সৰ্পৰ ধৰণী চুলিৰে ধৰিব।

অন্ত